Language and Literacy

ভাষা আৰু সাক্ষৰতা

TESS India

# A language-rich classroom

# এটি ভাষা-সমৃদ্ধ শ্ৰেণীকোঠা





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA
http://creativecommons.org/licenses/

The Open University
UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 LL02v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয় পৰিৱেশত স্বাভাৱিকভাৱে কথন আৰু লিখনৰ বিভিন্নধৰণৰ ত্ৰি য়া-কলাপত জড়িতকৰণ বঢ়োৱাৰ সহজ-সৰল অথচ কাৰ্যকৰী উপায়ৰ সন্ধান দিয়া হৈছে।

ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ বাহিৰৰ কথন আৰু লিখন সমলসমূহৰ লগত পৰিচয় ঘটাবলৈ শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপভোগ্য পঠন-কোণ এটি তৈয়াৰ কৰি ল'বলৈ ব্যৱহাৰিক, মিতব্যয়ী পৰামৰ্শ আপোনালৈ আগবঢ়োৱা হৈছে।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- শ্ৰেণীকোঠাৰ বেৰসমূহত প্ৰদৰ্শিত লেখাসমূহ কেনেদৰে মনোগ্ৰাহীকৈ সজাই তুলিব পাৰি।
- ছাত্ৰ-ছাত্ৰীৰ বাবে পঠন-কোণ কেনেদৰে স্থাপন কৰিব।
- শ্ৰেণীকোঠাত ৰেডিঅ'টোক কেনেদৰে কথিত ভাষাৰ সমল হিচাপে ব্যৱহাৰ কৰিব পাৰি।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

গতানুগতিকভাৱে চলি থকা শ্ৰেণীকোঠাসমূহত শিক্ষক-শিক্ষয়িত্ৰীসকলেই কথিত ভাষাৰ আৰু পাঠ্যপুথিসমূহেই লিখিত ভাষাৰ মুখ্য উৎস। সময়ৰ নাটনি আৰু সীমিত সমলৰ বাবে ইয়াক চহকী কৰি তুলিবলৈ বিকল্প ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত নিৰুৎসাহিত হোৱা যায়।

তৎসত্বেও ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতা বিকাশৰ দিশত স্বাভাৱিক মাত-কথা আৰু লিখনৰ বিভিন্ন উৎসৰ সৈতে পৰিচয় আৰু জড়িতকৰণে যথেষ্টভাৱে উপকৃত কৰে। সেয়ে এই ক্ষেত্ৰত কথন আৰু লিখনৰ অৰ্থবহ উদাহৰণৰ বিশেষ গুৰুত্ব আছে। কথন আৰু লিখনৰ অৰ্থবহ উদাহৰণে যেতিয়া বিভিন্ন বিষয়ৰ লগত সম্পৰ্ক থকা আৰু খণ্ডবাক্যবোৰ বুজি পোৱা আৰু গঠন কৰাৰ দক্ষতা বৃদ্ধিত অৰিহণা যোগোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ কল্পনা শক্তিৰ বৃদ্ধিতো আপোনাক সহায় কৰে। যদিহে শিক্ষকে উদাহৰণ দাঙি ধৰোঁতে ছাত্ৰ-ছাত্ৰীসকলে ঘৰুৱাভাৱে ব্যৱহাৰ কৰা শব্দৰ সংযোজন ঘটায়, তেতিয়া ছাত্ৰ-ছাত্ৰীৰ অতিৰিক্ত ভাষা আহৰণৰ ক্ষেত্ৰত চহকী কৰাৰ লগতে সুযোগো প্ৰদান কৰা হয়। তদুপৰি শ্ৰেণীকোঠাৰ বন্ধু বৰ্গৰ মাজত বিভিন্ন সংস্কৃতি আৰু পৰম্পৰাৰ লগত পৰিচয় কৰোৱা আৰু গুৰুত্ব দিয়াতো অৰিহণা যোগায়। এইদৰে ভাষা-সমৃদ্ধ শ্ৰেণীকোঠাৰ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীৰ শিকনীয় দিশত এক ধনাত্মক প্ৰভাৱ পেলাব পাৰি। এই গোটত বিভিন্ন পৰমাৰ্শ আগবঢ়োৱা হৈছে যাতে আপুনি নিজৰ শ্ৰেণীকোঠাতো অধিক ভাষা-সমৃদ্ধ হিচাপে গঢ়ি তুলিবলৈ আগবাঢ়িব পাৰে।

## ১) স্থানীয় পৰিৱেশত লিখনৰ উদাহৰণ (1 Examples of writing in the local environment)

শিশুসকলে স্কুলীয়া শিক্ষা আৰম্ভ কৰাৰ আগতেই বিভিন্ন ধৰণৰ লিখিত ভাষাৰ সৈতে চিনাকি হ'ব। উদাহৰণস্বৰূপে, যান-বাহনত লিখা কথা, দোকানৰ ফলক (চাইনবৰ্ড), পথৰ দিশ, নিৰ্দেশক ফলক, খাদ্য সামগ্ৰীৰ পেকেটৰ লেবেল, বিজ্ঞাপন, পোষ্টাৰ, কোনো প্ৰতিষ্ঠানৰ দ্বাৰা নিৰ্মিত সামগ্ৰীৰ বিশেষ, ৰাজনৈতিক -গান আৰু বাতৰি কাকত, আলোচনী, বিজ্ঞপ্তি তথা পত্ৰিকা, কিতাপ আদি।

নিম্নলিখিত কাৰ্যটোৱে স্থানীয় পৰিৱেশৰ মাজৰ পৰা ছাত্ৰ-ছাত্ৰীৰ চিনাকি লেখা উদাহৰণ কিছুমান সংগ্ৰহ কৰাত সহায় কৰিব। ইয়াৰ জৰিয়তে শ্ৰেণীকোঠাত সহজ-সৰলভাৱে পঠন আৰু আলোচনা কৰিব পৰা ত্ৰি য়া-কলাপ কৰাৰ বাবে সুগম হ'ব। এই কাৰ্যটি বিশেষকৈ কণ কণ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰযোজ্য।



চিত্ৰ ১ ঃ সৰ্বব্যাপী পাৰিপাৰ্শ্বিক ছপা লেখা প্ৰদৰ্শিত এটা পথ

## ত্ৰি য়া-কলাপ ১ ঃ শ্ৰেণীকোঠাত পাৰিপাৰ্শ্বিক লিখাৰ ব্যৱহাৰ (Activity 1: Using environmental writing in your classroom)

স্থানীয় পৰিৱেশত পোৱা ছাত্ৰ-ছাত্ৰীৰ চিনাকি বা মনোগ্ৰাহী লেখাসমূহৰ তালিকা এখন যুগুত কৰক। আপোনাৰ ঘৰ, কৰ্মস্থলীলৈ অহা যাত্ৰা পথ আৰু স্কুল পৰিসৰৰ পৰা উদাহৰণসমূহ বিচাৰি লওক। আপুনি সংগ্ৰহ কৰা শব্দ বা বাক্যাংশ ডাঙৰ আখৰেৰে কাগজৰ দীঘল টুকুৰাত লিখক আৰু সেইবোৰ মেৰিয়াই থওক।

আপুনি কি সংগ্ৰহ কৰিছে আপোনাৰ ছাত্ৰ-ছাত্ৰীক ব্যাখ্যা কৰি আৰম্ভ কৰক। ছাত্ৰ-ছাত্ৰীসকলক দুজনীয়া গোটত ভাগ কৰক আৰু সেই কাগজৰ দীঘল টুকুৰাবোৰ বিতৰণ কৰক। এই ত্ৰি য়া-কলাপটো আপুনি ছাত্ৰ-ছাত্ৰীসকলে ইচ্ছা অনুসৰি ল'ব পৰাকৈ সেই কাগজৰ দীঘল টুকুৰাবোৰ এটা পাত্ৰত থৈ নাইবা ছাত্ৰ-ছাত্ৰীসকলৰ সক্ষমতা অনুযায়ী বাছনি কৰি সম্পন্ন কৰিব পাৰে।

দুজনীয়া ছাত্ৰ-ছাত্ৰীৰ গোটত কোনে কি পালে অন্য ছাত্ৰ-ছাত্ৰীক সেই কাগজৰ টুকুৰাবোৰ মেলি ধৰি দেখুৱাবলৈ ক'ব। এনে কৰিলে কাৰ ভাগত কি পৰিছে ছাত্ৰ-ছাত্ৰীসকলে পঢ়িব পাৰিব বা ক'ব পাৰিব। প্ৰত্যেকৰে ক্ষেত্ৰত এই লেখা ক'ত পোৱা যায় সেইবিষয়ে এটি চমু আলোচনা ছাত্ৰ-ছাত্ৰীৰ মাজত আগবঢ়াই নিয়ক। কিছুমান শব্দ আৰু ভাব প্ৰকাশ সন্দৰ্ভত আপুনি অধিক ব্যাখ্যা কৰাৰো প্ৰয়োজন হ'ব পাৰে।

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে এটুকুৰা খালী কাগজৰ এটা দীঘল টুকুৰা দিয়ক। তাত অহা সপ্তাহৰ ভিতৰত বিদ্যালয়ৰ পৰা ঘৰলৈ উভতি যাওঁতে, ঘৰত বা তেওঁলোকৰ আশে-পাশে দেখা পোৱা নতুন শব্দ বা খণ্ডবাক্য লিখিবলৈ কওক। এই কাম ছাত্ৰ-ছাত্ৰীসকলক এসপ্তাহৰ ভিতৰত কৰিবলৈ সময় দিব। ইয়াৰ পাছত এইবোৰ একেধৰণৰ যুৰীয়া কাৰ্যৰ বাবে ব্যৱহাৰ কৰক নাইবা শ্ৰেণীকোঠাৰ বেৰত আঁৰি দি ছাত্ৰ-ছাত্ৰীসকলক পঢ়িবলৈ আৰু সেই বিষয়ে ক'বলৈ দিব।

ছাত্ৰ-ছাত্ৰীসকলক ঘৰত, গাঁৱত পোৱা অথচ শ্ৰেণীত আগতে ব্যৱহাৰ নকৰা ছপা সামগ্ৰী সংগ্ৰহ কৰিবলৈ দিব আৰু এইবোৰ শ্ৰেণীকোঠাৰ বেৰত প্ৰদৰ্শন কৰিব।

আপুনি যদি নিজাববীয়াকৈ কেমেৰাৰ আৰু প্ৰিন্টাৰৰ ব্যৱস্থা কৰিব পাৰে তেনেহ'লে বিতৰণ নাইবা প্ৰদৰ্শন কৰাৰ অৰ্থে পাৰিপাৰ্শ্বিক লেখাৰ উদাহৰণৰ ফটো তুলি ছপা কৰি ল'ব পাৰে।

### চিন্তন (Pause for thought)

- ছাত্ৰ-ছাত্ৰীসকলৰ মান নিৰ্দ্ধাৰণ কৰি চাবৰ বাবে এই কাৰ্যটি ব্যৱহাৰ কৰিব পাৰিবনে?
- এই কাৰ্যটি বেছি আগবঢ়া ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত কেনেদৰে ব্যৱহাৰ কৰিব?

## ২) শ্ৰেণীকোঠাৰ লিখনিসমূহৰ উদাহৰণ (2 Examples of writing in the classroom)

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলে পঢ়িব পৰাকৈ ভালেমান লিখাৰ উদাহৰণ থাকিব পাৰে। তাৰ ভিতৰত ব্লেকবৰ্'ড, ফলক, জাননী ফলক, পোষ্টাৰ, লেবেল আৰু প্ৰদৰ্শন কৰি থোৱা ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কাৰ্য ইত্যাদি হ'ব পাৰে।

### ঘটনা অধ্যায়ন ১ ঃ শ্ৰেণীকোঠাত লিখাৰ পৰা শিকন (Case Study 1: Learning from writing in the classroom)

শিল্পী গগৈ এগৰাকী প্ৰথম শ্ৰেণীত পঢ়োৱা শিক্ষয়িত্ৰী। তেখেতৰ ঘৰ তেজপুৰত। তেখেতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে লিখন সমৃদ্ধ শ্ৰেণীকোঠা এটি গঢ়ি তুলিবৰ বাবে কেনেদৰে আগবাঢ়িছিল তাৰেই কথা ক'ব।

'মই জানো যে, মোৰ শ্ৰেণীৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ কথা শুনা আৰু কোৱা এই দুয়ো ক্ষেত্ৰতে সুযোগ দিয়াৰ আৱশ্যক। যদিওবা বহুতো ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও পঢ়িব বা লিখিব পৰা হোৱা নাই, মই তেওঁলোকক হাতেৰে লিখাই হওক বা ছপা কৰা কথা লিখাই হওক বিভিন্ন উপাদানৰ সৈতে পৰিচয় কৰোৱাত গুৰুত্ব দিওঁ।

মোৰ ওচৰত গোটাই থোৱা কিছুমান ৰঙীন পোষ্টাৰ, যেনে- বৰ্ণমালা আৰু শব্দ তালিকা আছে। এই ৰঙীন পোষ্টাৰসমূহ মই ছাত্ৰ-ছাত্ৰীৰ চকুৰ দৃষ্টিৰ উচ্চতাত শ্ৰেণীকোঠাৰ বেৰত সজাই থৈছো।

মই প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ নামৰ লেবেল প্ৰস্তুত কৰি তেওঁলোকক সেইবোৰ অংকন কৰিবলৈ ক'লো। তেওঁলোকৰ নিজা নিজা কোটচোলা আৰু বেগ বেৰত ওলোমাই ৰখা ঠাইৰ কাষত লগাই দিলোঁ। মোৰ ওচৰত জপাই থ'ব পৰাকৈ প্ৰস্তুত কৰা কাৰ্ডব'ৰ্ড (Cardboard) ত লিখা নামফলক আছে। এই নামফলকখিনি মই এনেদৰে সজাই ৰাখো য'ত বহি ছাত্ৰ-ছাত্ৰীসকলে যুৰীয়াভাৱে অথবা দলগতভাৱে নিৰ্দিষ্ট কেতবোৰ ত্ৰি য়া-কলাপ কৰিব পাৰে। এই লেবেলসমূহে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নামৰ লগতে বন্ধুবৰ্গৰ নামো লিখিত ৰূপত চিনি পোৱাত সহায় কৰে। ৰঙীন কাগজ ব্যৱহাৰ কৰি মই শ্ৰেণীকোঠাৰ বিভিন্ন বৈশিষ্ট্যৰ লেবেলো প্ৰস্তুত কৰিছোঁ। এই বিলাকৰ ভিতৰত আছে এনে কিছুমান শব্দ যেনে- 'door' (দুৱাৰ), 'window' (খিৰিকী), 'blackboard' (ব্লেকবৰ্ড), 'cupboard' (কাপবৰ্ড), 'table' (টেবুল), 'chair' (চকী), 'desk' (ডেস্ক) আৰু 'clock' (ঘড়ী) আদি।

মই ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিটো বস্তুত শুদ্ধভাৱে উক্ত লেবেলসমূহ লগোৱাৰ ক্ষেত্ৰত মোক সহায় কৰিবলৈ কওঁ। প্ৰথমে মই লেবেলত লিখা শব্দটো আখৰ আৰু মাত্ৰাক গুৰুত্ব দি ডাঙৰকৈ পঢ়ি শুনাওঁ। তাৰপাছত ছাত্ৰ-ছাত্ৰীসকলে লেবেলখন কোনটো বস্তুৰ বিপৰীতে বা কাষত লগাব লাগে তাৰ ইংগিত দিব। কেতিয়াবা এনে কাৰ্যত মোৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাৰ আন এবিধ বস্তুত লেবেল লগোৱাৰ বাবে পৰামৰ্শ আগবঢ়ায়। এনে ক্ষেত্ৰত মই তেওঁলোকৰ পৰামৰ্শ মতে লেবেল লিখি থাকোতে আখৰৰ নামবোৰ কৈ যাওঁ।

শ্ৰেণীকোঠাৰ এটা অংশত মই শব্দ সম্বলিত এখন বেৰ সৃষ্টি কৰিলোঁ। এই বেৰতেই সপ্তাহটোৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে পাই অহা নতুন নতুন শব্দ লিখি যাওঁ। তদুপৰি মই ছাত্ৰ-ছাত্ৰীসকলকো এই বেৰখনত নিজে নিজে লিখিবলৈ উদ্‌গণি যোগাওঁ।



চিত্ৰ ২ ঃ এটি ভাষা-সমৃদ্ধ শ্ৰেণীকোঠাৰ উদাহৰণ

**চিন্তন** (Pause for thought)

- ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতা বিকাশক শিল্পী গগৈৰ ধাৰণাসমূহে কেনেদৰে বৰঙণি যোগাইছে।
- শিল্পী গগৈৰ কোনটো ধাৰণা আপুনি আপোনাৰ শ্ৰেণীকোঠাত সন্নিৱিষ্ট কৰিব?

## ত্ৰি য়া-কলাপ ২ ঃ লিখন-সমৃদ্ধ শ্ৰেণীকোঠাৰ সৃষ্টি কৰা (Activity 2: Creating a writing-rich classroom)

আপোনাৰ শ্ৰেণীকোঠাত লিখন কাৰ্য কেনেদৰে সম্পাদিত হৈছে তাক লক্ষ্য কৰিবলৈ ১৫ মিনিট সময় আছুতীয়াকৈ ৰাখক।

- ই কেনে ৰূপ লৈছে?
- ই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উৎসাহজনক হৈছেনে?
- কিমান দিনৰ ব্যৱধানত ইয়াক সলনি কৰা হয়?
- এই লিখনিসমূহত যদি ছাত্ৰ-ছাত্ৰীৰ কাৰ্য অন্তৰ্ভূক্ত কৰা হৈছে, তেনেহ'লে নিৰ্বাচিত অংশ কিমান দূৰ প্ৰদৰ্শন কৰা হয়?

আপোনাৰ দুজন সহকৰ্মীৰ লগত কথা পাতক। তেখেতসকলৰ শ্ৰেণীকোঠাৰ বেৰত লিখনৰ কি নিদৰ্শন দেখা যায়? শ্ৰেণীকোঠাত প্ৰদৰ্শিত ছাত্ৰ-ছাত্ৰীৰ কাৰ্য বৃদ্ধি কৰিবৰ বাবে কেনেধৰণৰ পদক্ষেপ ল'ব। আপুনি লিখনিসমূহ ছাত্ৰ-ছাত্ৰীৰ বয়সৰ লগত সংগতি ৰাখি কল্পনাসুলভ তথা মনোগ্ৰাহী কৰি তুলিবলৈ কেনেধৰণে ব্যৱহাৰ কৰিব?

আপোনাৰ শ্ৰেণীকোঠাৰ বেৰখন ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ এক আঁচনি যুগুত কৰক।

যদি সম্ভৱ হয় প্ৰতি পোন্ধৰ দিনৰ ব্যৱধানত প্ৰদৰ্শিত লিখনিসমূহৰ পৰিৱৰ্তন আনিবলৈ বা সংযোজন কৰিবলৈ নিজকে দায়বদ্ধ কৰক। সকলোকে তেনে কৰিবলৈ উৎসাহ যোগাওক। পৰস্পৰে পৰস্পৰৰ শ্ৰেণীকোঠালৈ মাজে মাজে ভূমুকি মাৰক। ইজনে সিজনৰ বেৰৰ প্ৰদৰ্শনৰ পৰা শিকিবলৈ প্ৰয়াস কৰক।

## ৩) শ্ৰেণীকোঠাৰ এটি পঠন কোণ (3 A classroom reading corner)

শ্ৰেণীকোঠাত একাষৰীয়াকৈ থকা এটা পঠন কোণে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ কিতাপবোৰ সুন্দৰকৈ লৈ তাত থকা বিষয়বস্তু উদ্‌ঘাটন কৰি লোৱাৰ বাবে এক বিশেষ স্থান দিয়ে। শ্ৰেণীকোঠাত এটি পঠন কোণৰ আৰ্হি যুগুত আৰু সমলপুষ্ট কৰণত ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰাৰ প্ৰয়োজন। এইদৰে তেওঁলোকে ইয়াক ব্যৱহাৰ আৰু উন্নত কৰিব বিচাৰিব।



চিত্ৰ ৩ ঃ শ্ৰেণীকোঠাৰ এটি পঠন কোণ

## ঘটনা অধ্যয়ন ২ ঃ শ্ৰেণীকোঠাৰ পঠন কোণৰ সমল বৃদ্ধি কৰা (Case Study 2: Resourcing a classroom reading corner)

দীলিপ বৰা মৰিগাঁৱৰ এখন প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীত পঢ়োৱা শিক্ষক। ইয়াত তেখেতে বৰ্ণনা কৰিছে কেনেকৈ তেখেতে পঠন কোণৰ বাবে একেলগে কিতাপ সংগ্ৰহ কৰিছিল।

মই জানো যে কম বয়সতে ছাত্ৰ-ছাত্ৰীয়ে কিতাপ পঢ়িবলৈ সুযোগ পোৱাতো কিমান গুৰুত্বপূৰ্ণ। যদিওবা মোৰ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ পাঠ্যপুথিসমূহ উপভোগ কৰে, মই বিচাৰো যে তেওঁলোকে অন্যান্য পঠন সামগ্ৰীও চকু ফুৰাওক আৰু পঢ়িবলৈ লওক। অৱশ্যে নতুন কিতাপ কিনাৰ বাবে পুঁজিৰ যোগান সীমিত আছিল।

মই বয়সীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে সম্পৰ্কীয় লোক আৰু বন্ধুবৰ্গক তেওঁলোকৰ ল'ৰা-ছোৱালীসকলে আগলৈ পঢ়িবলৈ প্ৰয়োজন নোহোৱা কোনো কিতাপ ঘৰত আছে নেকি বুলি সুধিবলৈ আৰম্ভ কৰিছিলোঁ। মই জনা শৈক্ষিক কল্যাণ সংস্থা কিছুমানলৈ লিখিছিলোঁ, যাতে তেওঁলোকে বৰঙণি যোগাব পাৰে। অৱশেষত, মোৰ শিকন সামগ্ৰী ভাণ্ডাৰ কিছু টকাৰ সৎ ব্যৱহাৰ কৰি কিছুমান কিতাপ কিনিছিলোঁ।

মই পঠন কোণটো মাত্ৰ ১০ খন কিতাপেৰে আৰম্ভ কৰিছিলোঁ। দুবছৰ পাছতেই প্ৰায় ৬০ খন বিভিন্ন গল্প আৰু অন্যান্য কিতাপ সংগ্ৰহ কৰিছিলোঁ। যিবিলাক ভিন্ ভিন্ পৰিসৰৰ বাবে যথোপযুক্ত আছিল। মই বিভিন্নধৰণৰ আলোচনী আৰু বাতৰি কাকতো গোটাইছিলোঁ। এই সকলোবোৰ এতিয়া মই বিদ্যালয়ৰ আন শিক্ষককো মাজে সময়ে দিওঁ।

## ক্ৰি য়া-কলাপ ৩ ঃ আপোনাৰ শ্ৰেণীকোঠাত এটি পঠন কোণ অন্তৰ্ভুক্ত কৰক (Activity 3: Incorporating a reading corner in your classroom)

যদি সম্ভৱ হয় আপোনাৰ সহকৰ্মীৰ লগত আলোচনা কৰি শ্ৰেণীকোঠাত পঠন কোণৰ বাবে এখন আঁচনি যুগুতাওক। এই ক্ষেত্ৰত দুয়োজনৰ মনলৈ অহা সকলোধৰণৰ ধাৰণা জুকিয়াই লওক আৰু নিম্নলিখিত কথাকেইটা বিবেচনা কৰি চাওক -

- ছাত্ৰ-ছাত্ৰীৰ উপযোগী কিতাপ আৰু পঠন সামগ্ৰী গোটাবৰ বাবে আপোনাৰ ওচৰত থকা উৎসসমূহ কি কি?
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে পঠন সামগ্ৰী সংগ্ৰহৰ বাবে কেনেধৰণৰ বৰঙণি আগবঢ়াব পাৰে? (উদাহৰণস্বৰূপে ছাত্ৰ-

ছাত্ৰীসকলে নিজেও কিতাপ প্ৰস্তুত কৰিব পাৰে)।

- আপোনাৰ শ্ৰেণীকোঠাত পঠন কোণটো কেনেকৈ নিৰ্ণয় কৰিব?
- ইয়াক স্থাপন কৰাৰ বাবে কেনেধৰণৰ সামগ্ৰীৰ আৱশ্যক হ'ব? (যেনে - কিতাপ থোৱা বাকচ, বহাৰ বাবে এখন ঢাৰি-পাটী আদি)। এইবোৰ সামগ্ৰী আপুনি ক'ত পাব?
- আপোনাৰ শ্ৰেণীকোঠাৰ অন্যান্য কাৰ্যত্ৰ মৰ লগত পঠন কোণৰ বিষয়বস্তু কেনেদৰে সন্নিবিষ্ট কৰিব ।

সমল ১ ত শ্ৰেণীকোঠাত পঠন কোণৰ আৰম্ভণি কৰিবৰ বাবে কিছুমান লাগতিয়াল ধাৰণা প্ৰদান কৰা হৈছে যিয়ে আপোনাক এই কাৰ্যত সহায় কৰিব।

## ৪) শ্ৰেণীকোঠাৰ এক সমল হিচাপে ৰেডিঅ’ (4 Radio as a classroom resource)

### ঘটনা অধ্যায়ন ৩ ঃ ভাষা আৰু সাক্ষৰতা বিকাশত ৰেডিঅ'ৰ ব্যৱহাৰ (Case Study 3: Using radio for language and literacy development)

ৰেখা শৰ্মা বিজনীৰ এখন গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ বহু শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষয়িত্ৰী। ইয়াত তেওঁ বৰ্ণনা কৰিছে যে তেওঁ ভাষাৰ পাঠ পঢ়াওঁতে ৰেডিঅ'টো কেনেকৈ সমল হিচাপে ব্যৱহাৰ কৰে।

মোৰ বিদ্যালয়ত থকা পাঠ্যপুথিসমূহৰ বাহিৰে সমল তেনেই সীমিত। মই আজৰি সময়ত বৰ মন দি ৰেডিঅ’ শুনো আৰু বিভিন্নধৰণৰ মনোগ্ৰাহী অনুষ্ঠান আৱিষ্কাৰ কৰিছো। বৰ্তমানে মই ৰেডিঅ'টোক ভাষা পাঠত নিয়মীয়াকৈ ব্যৱহাৰ কৰো শিকনৰ এক অতিৰিক্ত সমল হিচাপে। মই ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাৰ বহিঃ জগতখনৰ সৈতে চিনাকি কৰি দিয়াত ই যেনেদৰে মোক সক্ষম কৰিছে সেইয়া মই ভাল পাইছো।

মই বাতৰি কাকতত প্ৰকাশ কৰা ৰেডিঅ’ অনুষ্ঠানবিলাকৰ মাজৰ পৰা ছাত্ৰ-ছাত্ৰীৰ পাঠৰ উপযোগী বিষয়বস্তু চিনাক্ত কৰি উলিয়াওঁ। উপযুক্ত সময় বাছি উলিয়াই শ্ৰেণীকোঠাতে মই ছাত্ৰ-ছাত্ৰীক পোনপটীয়াকৈ ৰেডিঅ'ৰ অনুষ্ঠান শুনাবলৈ লৈছিলোঁ কিন্তু বৰ্তমান মোৰ এনে এটা ৰেডিঅ’ আছে য'ত কিছুমান নিৰ্দিষ্টভাৱে বাছনি কৰি উলিওৱা অনুষ্ঠান আগতীয়াকৈ বাণীবদ্ধ কৰি থৈ পাছত পুনৰ বজাই শুনাব পাৰো। মই প্ৰায়েই ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে প্ৰস্তুত কৰা শৈক্ষিক অনুষ্ঠানসমূহ শুনিবলৈ দিও। কাৰণ এই অনুষ্ঠানসমুহত দুই এটা চমু বোধৰ কাম অথবা অন্যান্য কাৰ্য উপস্থাপন কৰো। অনুষ্ঠান এটা শুনাৰ পাছত আমি সদায় সেই বিষয়বস্তুৰ সন্দৰ্ভত আলোচনা কৰিবলৈ সময় উলিয়াই লওঁ। এনে কৰিলে কোনো নুবুজা কথা স্পষ্টকৈ বুজাত সুবিধা হয়। কেতিয়াবা আমি ইয়াক গোটেই শ্ৰেণীত কাৰ্য হিচাপে কৰোঁ। কেতিয়াবা ছাত্ৰ-ছাত্ৰীক দল বান্ধি একেলগে অনুষ্ঠান সম্পৰ্কত আলোচনা কৰিবলৈ কওঁ। আলোচনাৰ পাছত মই সাধাৰণতে অনুষ্ঠান সম্পৰ্কত কণ কণ ছাত্ৰ-ছাত্ৰীক (তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী) কেইশাৰীমান লিখিবলৈ দিওঁ আৰু ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক একোখন দীঘলীয়া প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ দিওঁ।

মই শ্ৰেণীকোঠাত সাধুকথা, নাটক আৰু লঘু নাটিকাও ছাত্ৰ-ছাত্ৰীক শুনিবলৈ দিওঁ। এনে কৰিলে ছাত্ৰ-ছাত্ৰীয়ে কাহিনীৰ বিভিন্ন চৰিত্ৰ, বিষয়বস্তু অথবা আগলৈ কি ঘটিব পাৰে আদি দিশত আলোচনা কৰাৰ সুযোগ পায়। কেতিয়াবা ছাত্ৰ-ছাত্ৰীক কাহিনীৰ সংলাপ নিজৰ ভাষাত লিখিবলৈ দিওঁ আৰু তেওঁলোকক অভিনয় কৰি দেখুৱাবলৈ কওঁ।

ৰেডিঅ’ অনুষ্ঠান মোৰ এই কাৰণেই ভাল লাগে যে এই অনুষ্ঠানবোৰে ছাত্ৰ-ছাত্ৰীক বেলেগ বেলেগ ধৰণৰ মাত কথা, ভাষা কোৱাৰ ধৰণ আৰু বিভিন্ন প্ৰকাশ ভংগীৰ সৈতে পৰিচয় কৰাই দিয়ে। অনুষ্ঠান উপভোগ কৰাৰ সময়ত মই সম্ভাব্য অপৰিচিত শব্দবোৰ টুকি ৰাখো আৰু পাছত এই শব্দবোৰৰ অৰ্থ ছাত্ৰ-ছাত্ৰীক সোধো অথবা অনুমান কৰিবলৈ কওঁ। কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলে একেটা শব্দকে কেনেকৈ কোনো উপস্থাপকে বেলেগ বেলেগ ধৰণে উচ্চাৰণ কৰিলে বা কেনেকৈ বিকল্প শব্দ বা প্ৰকাশ ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন সেই কথাও কওঁ। বিভিন্নধৰণে এইদৰে ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিলে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ চহকী ৰূপ আৰু বিভিন্নতা সম্পৰ্কে তেওঁলোকৰ মনত সজাগতাৰ সৃষ্টি হয়।

মই কোনো এটা ৰেডিঅ'ৰ অনুষ্ঠানৰ অংশ বিশেষ ছাত্ৰ-ছাত্ৰীৰ কোনো এটা ঘৰুৱা ভাষাত উপস্থাপন কৰি সম্পৰীক্ষা কৰি চাইছিলোঁ। যিসকলে বক্তাই কোৱা কথাখিনি বুজি পাইছে শ্ৰেণীৰ অন্যান্য সকলক ব্যাখ্যা কৰি দিবলৈ কৈছিলোঁ। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীৰ কোনোবা এজন উঠি আহি বাকী ছাত্ৰ-ছাত্ৰীক বিষয়টো সম্পৰ্কত ক'বলৈ দিও। এনেদৰে কোৱাৰ মাজৰ পৰা দুই এটা মূল শব্দ দুই এজনক ক'বলৈ আৰু শ্ৰেণীৰ অন্যান্যসকলক পুনৰ ক'বলৈ দিছিলোঁ। ছাত্ৰ-ছাত্ৰীয়ে ঘৰুৱা ভাষাত জনা শব্দকেইটা ব'ৰ্ডত লিখে আৰু বাকীসকলে অনুশীলন বহীত লিখি থয়। এই পাঠত ছাত্ৰ-ছাত্ৰী জড়িত হয়।

মোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ৰেডিঅ'ৰ অনুষ্ঠান শুনা আৰু মোৰ কথা শুনা একেই।

## চিন্তন (Pause for thought)

- ৰেখা শৰ্মাৰ ৰেডিঅ' ভিত্তিক পাঠে ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতাৰ বিকাশত কেনেধৰণৰ সুযোগ প্ৰদান কৰে?
- শ্ৰেণীকোঠাত ৰেডিঅ' ব্যৱহাৰৰ কোনো প্ৰত্যাহ্বানৰ সম্ভাৱনীয়তা আপুনি বিচাৰি পায় নেকি? যদি পায়, তেন্তে এই প্ৰত্যাহ্বান কেনেদৰে অতিক্ৰম কৰিব?

ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা ভাষাক গুৰুত্ব দি কেনেকৈ তেওঁলোকৰ অংশগ্ৰহণ বৃদ্ধি কৰিব পাৰি এই বিষয়ে মূল সমল 'সকলোকে জড়িতকৰণ'ত বহুতো ধাৰণা সন্নিৱিষ্ট কৰা হৈছে, উদাহৰণস্বৰূপে -

## ভি.ডি.অ' ঃ সকলোকে জড়িতকৰণ (Video: Involving all)

## ক্ৰিয়া-কলাপ ৪ ঃ আপোনাৰ শ্ৰেণীকোঠাত ৰেডিঅ'ৰ ব্যৱহাৰ (Activity 4: Using radio in your classroom)

ভাষা আৰু সাক্ষৰতা বিকাশৰ বাবে শ্ৰেণীকোঠাত ৰেডিঅ'টো ব্যৱহাৰ কৰাৰ আগতেই ৰেডিঅ'ৰ অনুষ্ঠান সম্পৰ্কে জানি ল'লে ভালদৰে ব্যৱহাৰ কৰাত তথা ফলপ্ৰসূ ফলাফল পোৱাত সহায়ক হয়।



চিত্ৰ ৪ ঃ শ্ৰেণীকোঠাত ৰেডিঅ' শুনাৰ ছবি

গোটেই সপ্তাহজুৰি অথবা সপ্তাহৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ উপযোগী হ'ব বুলি দুই তিনিটা ৰেডিঅ' অনুষ্ঠান শুনাৰ বাবে সময় উলিয়াই লওক। ছাত্ৰ-ছাত্ৰীসকলক ৰেডিঅ' অনুষ্ঠান শুনোৱাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে তাৰপৰা কেনেদৰে লাভবান হ'ব সেই সম্পৰ্কে জানিবৰ বাবে তলৰ কথাকেইটা আপুনি মন কৰক ঃ

- অনুষ্ঠানৰ বিষয়বস্তুৰ বিভিন্ন দিশ জনাত
- ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতাৰ বিকাশত

ৰেডিঅ' অনুষ্ঠান শুনাৰ পাছত আপুনি নিজৰ মনতে জুকিয়াই চাওক যে অনুষ্ঠান সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মাজত কেনেধৰণৰ প্ৰশ্ন তথা আলোচনা অৱতাৰণা কৰিব। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ বিষয়সম্বন্ধীয় জ্ঞানৰ পৰিসৰ, ভাষা আৰু সাক্ষৰতাৰ পৰ্যায়ৰ প্ৰতি মন কৰিহে প্ৰশ্ন সোধা বা আলোচনা আগবঢ়াব লাগে।

ৰেডিঅ' অনুষ্ঠান শুনাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে কৰিব পৰা দুই এটা ক্ৰিয়া-কলাপৰ ৰূপৰেখা তৈয়াৰ কৰক। ভাবি চাওক যে এনে ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীক কেনেকৈ সংগঠিত কৰিব, তেওঁলোকক কিমান সময়ৰ প্ৰয়োজন হ'ব আৰু শেষত আপুনি কেনেদৰে শ্ৰেণীৰ সকলোকে একগোট কৰিব।

এনেদৰে এই কৌশলটো কেইবাৰমান অভ্যাস কৰাৰ পাছত কোনটো ৰেডিঅ'ৰ অনুষ্ঠান পোনপটীয়াকৈ ছাত্ৰ-ছাত্ৰীক শুনাব অথবা কোনবোৰ বাণীবদ্ধ কৰি পাছৰ কোনো এক নিৰ্দিষ্ট দিনত শুনাব চিনাক্ত কৰক। যিমান পাৰি আগতীয়াকৈ পাঠটো পৰিকল্পনা কৰি লওক। তাৰপাছত ইয়াক প্ৰয়োগ কৰি চাওক।

### চিন্তন (Pause for thought)

- আপুনি আশা কৰাৰ দৰে পাঠটো আগবাঢ়িছিলনে ?
- পাছৰবাৰ আপুনি কি বেলেগধৰণে কৰিব ?

এটি ভাষা-সমৃদ্ধ শ্ৰেণীকোঠা গঢ়ি তুলিবলৈ অধিক জানিবৰ বাবে সমল ২ ত 'স্থানীয় সমলৰ ব্যৱহাৰ কৰি' চাওক।

### ভি.ডি.অ'. ঃ স্থানীয় সমলসমূহৰ ব্যৱহাৰ (Video: Using local resources)

## সাৰাংশ (Summary)

এই গোটত অতি কম অৰ্থব্যয়েৰে সহজ সৰলভাৱে এটা ভাষা-সমৃদ্ধ শ্ৰেণীকোঠা কেনেকৈ তৈয়াৰ কৰি উলিয়াব পাৰি তাক দেখুওৱা হ'ল। এই গোটত এনে কিছুমান উপায় দেখুওৱা হ'ল যাতে শ্ৰেণীকোঠাতেই বিভিন্নধৰণৰ সমল ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক কথন আৰু লিখনৰ বিভিন্ন উৎসৰ সৈতে পৰিচয় কৰি দিব পাৰি। এনে উপায় তথা পৰামৰ্শসমূহৰ ভিতৰত আছে বেৰত লিখন আৰু সকলোৰে দেখাকৈ প্ৰদৰ্শিত কৰা পঠন কোণ এটা তৈয়াৰ কৰি উলিওৱা আৰু শ্ৰেণীকোঠাত ৰেডিঅ' ব্যৱহাৰ কৰা। সময়ে সময়ে আপুনি এনে কিছুমান সহজ-সৰল সমলৰ সৃষ্টি আৰু কাৰ্য যুগুতাব পাৰে যাতে বিভিন্ন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পৰিৱেশৰ লগত খাপ খোৱাকৈ লিখা আৰু কোৰাত নিয়োজিত হৈ পাঠ্যপুথিৰ পাঠসমূহ আৰু সেই কাৰ্যৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব পাৰে।

## সমলসমূহ (Resources)

## সমল ১ ঃ আপোনাৰ শ্ৰেণীকোঠাত এটা মনোগ্ৰাহী পঠন কোণ প্ৰস্তুতকৰণ
(Resource 1: Creating an appealing reading corner in your classroom)

বিদ্যালয়ৰ পাঠ্যপুথিৰ পৰিপূৰক হিচাপে পঠন সামগ্ৰী বিচাৰি উলিওৱাটো কঠিন হ'ব পাৰে, কিন্তু শিক্ষক হিচাপে আপুনি যিমানদূৰ সম্ভৱ হয় সিমান ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব বিচৰা ধৰণে যোগান ধৰিব। কেইগৰাকীমান শিক্ষকে নিজ নিজ বিদ্যালয়ত কেনেদৰে পঠন ক্ষেত্ৰ আৰু পুথিভঁৰাল গঢ়ি তুলিছে তাৰে চাৰিটা ধাৰণা দিয়া হ'ল।

- ৰঙীন আলোচনীৰ পৰা লাগতিয়াল পাঠৰ অংশ বিশেষ কাটি উলিয়াই চাৰ্ট পেপাৰ অথবা কিতাপত আঠা লগাওক।
- ৰাইজ, পৰিদৰ্শনকাৰী, অভিভাৱক বা অন্যান্য ব্যক্তিৰ পৰা যথাযোগ্যভাৱে কিতাপ আৰু আলোচনী বৰঙণি হিচাপে বিচাৰক।
- বেচৰকাৰী অনুষ্ঠান যেনে- "ৰূম টু ৰিড", 'প্ৰথম' আদিৰ পৰা কিতাপ বৰঙণি হিচাপে বিচাৰক।
- শিকন-শিক্ষণ সামগ্ৰীৰ বাবে পোৰা ভাট্টা ধনৰ পৰা কিতাপ কিনক।

এতিয়া আপুনি ভাবক ইচ্ছুক পঠন পৰিৱেশ কেনেকৈ গঢ়ি তুলিব। ইয়াত এই দিশত কিছুমান ধাৰণা প্ৰদান কৰা হৈছে যাতে আপুনিও আৰম্ভ কৰিব পাৰে।

### পঠন সমল সংগ্ৰহ (Collecting reading resources)

যিমান পাৰে সিমান পঠন সামগ্ৰী সংগ্ৰহ কৰক যাতে আপোনাৰ পঠন সামগ্ৰীত পৰিৱৰ্তন অব্যাহত থাকে আৰু সামগ্ৰীৰ ত্ৰ মাগতভাৱে সংখ্যাও বৃদ্ধি হয়। এইটোও নিশ্চিত কৰক যে আপোনাৰ দ্বাৰা সংগৃহীত সামগ্ৰী যাতে ভিন্ ভিন্ পৰ্যায়ৰ পঠন দক্ষতাৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। এই সংগ্ৰহত বিভিন্ন ধৰণৰ কিতাপ অন্তৰ্ভুক্ত কৰক। যেনে -

- সাধু কিতাপ
- খেল, প্ৰকৃতি, বস্তু তৈয়াৰ কৰা আদি বিভিন্ন ধৰণৰ বাস্তৱ কথাৰ ওপৰত প্ৰতিষ্ঠিত কিতাপ
- অভিধান আৰু মানচিত্ৰ
- কবিতা
- সাঁথৰ আৰু কৌতুকৰ কিতাপ
- যদি সম্ভৱ হয়, আপোনাৰ ঘৰুৱা ভাষাৰ কিতাপ

বাতৰি কাকত, আলোচনী আৰু চিত্ৰকথা (Comics) আদিও সংগ্ৰহ কৰক লগতে ছাত্ৰ-ছাত্ৰীসকলকো উৎসাহিত কৰক যাতে তেওঁলোকেও ওচৰ চুবুৰীয়াৰ পৰা কিতাপ আৰু অন্যান্য পঠন সামগ্ৰী সংগ্ৰহ কৰে।

## কিতাপ প্ৰস্তুতি (Bookmaking)

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজে লিখা কবিতা বা চুটি গল্প, কাহিনী আদি থকা কিতাপ উলিয়াব পাৰে। তেওঁলোকে পাঠ্যপুথিৰ কোনো বিষয়বস্তুৰ লগত সংগতি ৰাখি চুটি নাটক অথবা কিতাপ লিখিব পাৰে। তেওঁলোকে কিতাপৰ বেটুপাতো আনে পঢ়িব পৰাকৈ আকৰ্ষণীয় ৰূপত প্ৰস্তুত কৰি উলিয়াব পাৰে।

## বিশেষৰূপত প্ৰদৰ্শিত কৰিবলৈ বা আনক দেখুৱাবলৈ আঁৰি থোৱা কাম (Special displays)

বিষয়ভিত্তিক প্ৰদৰ্শন যেনে- পানী বা পৰিবহন ব্যৱস্থা, ই ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসু মনটো জগাই তোলা আৰু আলোচনাৰ বাবে উৎসাহিত কৰি তোলাৰ এক উত্তম উপায় য'ত ছাত্ৰ-ছাত্ৰীসকলে ন ন তথ্য সংগ্ৰহৰ পথ বিচাৰি পাব। কিতাপৰ পৰিপূৰক হিচাপে পোষ্টাৰ, ছবি, ফটো আদিও প্ৰদৰ্শিত কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহক বজাই ৰাখিবৰ বাবে বেৰত বিভিন্নধৰণৰ বস্তু প্ৰদৰ্শন সঘনে কৰক আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজে তৈয়াৰ কৰি উলিওৱা সামগ্ৰী অন্তৰ্ভুক্ত কৰক। যদি আপোনালোকৰ তাত থকা কোনো পঠন সামগ্ৰীৰ কথা আপুনি ভালদৰে জানে, তেন্তে ছাত্ৰ-ছাত্ৰীসকলক সেইবোৰ দেখুৱাওক যাতে তেওঁলোকে বিচৰা তথ্যসমূহ লাভ কৰিব পাৰে।

## পঠন কোণ এটিৰ প্ৰস্তুতকৰণ (Creating a reading corner)

আপোনাৰ শ্ৰেণীকোঠা বা বিদ্যালয়ৰ এডোখৰ ঠাই পঠন কোণ এটি প্ৰস্তুতকৰণৰ বাবে চিনাক্ত কৰক। এখন ডাঙৰ ফলক লগাওক যাতে ইয়াৰ উদ্দেশ্য স্পষ্ট হয়। তাত আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ বাবে আকৰ্ষণীয় আৰু সুচল স্থান নিৰ্ধাৰণ কৰক। এখন ঢাৰী-পাটী বা পাৰিলে চকী কেইখনমান দিয়ক।

সংগৃহীত পঠন সামগ্ৰীসমূহৰ যতন ল'বলৈ আৰু নথিভুক্ত কৰিবলৈ পুথিভঁৰালী হিচাপে কাম কৰাৰ বাবে আগ্ৰহী স্বেচ্ছাসেৱক বিচাৰক। পঠন সামগ্ৰীখিনি নিৰ্দিষ্ট ঠাইত শাৰী-শাৰীকৈ অথবা বাকচত এনেদৰে প্ৰতিদিনে প্ৰদৰ্শন কৰাওক যাতে ছাত্ৰ-ছাত্ৰীয়ে সহজে পঠন সামগ্ৰীসমূহ পাব পাৰে। নিয়মীয়াকৈ যাতে সেইবোৰ উলিয়াই আনি পৰিষ্কাৰ কৰা হয় তাৰবাবে বেলেগ বেলেগ ছাত্ৰ-ছাত্ৰীক আহ্বান জনাওক। যদি কোনো কিতাপ আদি বেয়া হয় বা ফাটি-ছিঙি যায় তেনেহ'লে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰক যাতে ছাত্ৰ-ছাত্ৰীসকলে নিজেই সেইবিলাক মেৰামতি কৰে। যিমানেই ছাত্ৰ-ছাত্ৰীক জড়িত কৰাই কাম কৰিব সিমানেই তেওঁলোকে নিজস্বতা অনুভৱ কৰিব আৰু পঠন কাৰ্যৰ প্ৰতি আগ্ৰহী হ'ব।

## সমল ২ ঃ স্থানীয় সমলৰ ব্যৱহাৰ (Resource 2: Using local resources)

কেৱল পাঠ্যপুথিয়েই নহয়, বহুতো অন্যান্য শিকন সামগ্ৰী শিক্ষণৰ বাবে ব্যৱহাৰ কৰিব পাৰি। আপুনি যদি বিভিন্নধৰণেৰে ইন্দ্ৰিয় ব্যৱহাৰ কৰিব জানে, যেনে - দৃশ্যমান সামগ্ৰী, শ্ৰৱণ সামগ্ৰী, স্পৰ্শকৰা, ঘ্ৰাণ আৰু সোৱাদ লোৱা (visual, auditory, touch, smell, taste) আদি, তেনেহ'লে আপুনি ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ধৰণেৰে আকৰ্ষিত কৰিব পাৰে। আপোনাৰ চাৰিওফালে অনেক সমল সিচঁৰতি হৈ আছে যিবোৰ আপুনি ছাত্ৰ-ছাত্ৰীৰ শিকনৰ অৰ্থে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পাৰে। যিকোনো বিদ্যালয়ে অতি কম খৰছেৰে অথবা বিনা খৰছেৰে নিজৰ শিকন সমল সৃষ্টি কৰিব পাৰে। স্থানীয়ভাৱে এনে সামগ্ৰীৰ সন্ধান লৈ পাঠ্যত্ৰ ম আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লগত সংগতি স্থাপন কৰিব।

আপুনি আপোনাৰ স্থানীয় পৰিৱেশত এনে কিছুমান ব্যক্তি বিচাৰি পাব পাৰে যাৰ বিভিন্ন দিশৰ বিষয়ে পাৰদৰ্শিতা থাকে। তদুপৰি আপুনি স্থানীয় এলেকাৰ পৰাই বিভিন্ন ধৰণৰ প্ৰাকৃতিক সমল আহৰণ কৰিব পাৰে। এই বিলাকে স্থানীয় ৰাইজৰ লগত সম্পৰ্ক স্থাপনতো সহায় কৰিব, মূল্যবোধৰ প্ৰদৰ্শন হ'ব, ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃতিৰ বিভিন্নতা আৰু স্থানীয় পৰিৱেশতো যে কিমান চহকী এই কথা উপলব্ধি কৰিব আৰু আটাইতকৈ ডাঙৰ কথা যে সামগ্ৰিকভাৱে শিকনৰ গুৰুত্ব বুজি উঠিব য'ত বিদ্যালয়ৰ বাহিৰে-ভিতৰে শিকনৰ দিশে ধাৱমান হ'ব।

## শ্ৰেণীকোঠাতো সৰ্বাংগৰূপত সজোৱা (Making the most of your classroom)

মানুহে নিজৰ ঘৰখন আটকধুনীয়া কৰিবলৈ যথাসম্ভৱ কষ্ট কৰে। একেদৰে, এইটো ভাল চিন্তন হ'ব যে আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কেনে পৰিৱেশত শিকাতো বিচাৰে। আপুনি যিধৰণেই নহওক শ্ৰেণীকোঠা আৰু বিদ্যালয়খন শিক্ষণৰ বাবে এক আকৰ্ষণীয় স্থান হিচাপে

গঢ়ি তোলে। সেইবোৰে ছাত্ৰ-ছাত্ৰীৰ মনত এক ইতিবাচক প্ৰভাৱ পেলায়। শ্ৰেণীকোঠাতো ছাত্ৰ-ছাত্ৰীৰ বাবে মনোগ্ৰাহী আৰু আকৰ্ষণীয় কৰি তুলিবলৈ আপুনি অৱলম্বন কৰিব পৰা বহুতো উপায় আছে। উদাহৰণস্বৰূপে আপুনি --

- পুৰণা আলোচনী আৰু ব্ৰচাৰ (brochure) ৰ পৰা পোষ্টাৰ তৈয়াৰ কৰিব পাৰে।
- সাম্প্ৰতিক বিষয়ৰ লগত সামঞ্জস্য থকা বস্তু আৰু কলা-কৃষ্টি আদি আনিব পাৰে।
- ছাত্ৰ-ছাত্ৰীয়ে কৰা কাৰ্যৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব পাৰে।
- শ্ৰেণীকোঠাত আঁৰি থোৱা বস্তুৰ মাজে-সময়ে সাল-সলনি কৰক যাতে ছাত্ৰ-ছাত্ৰীৰ উৎসুকতা বৃদ্ধি হয় আৰু ন ন কথা জনাৰ প্ৰতি আগ্ৰহ সৃষ্টি হয়।

## স্থানীয় পাৰদৰ্শী ব্যক্তিক শ্ৰেণীকোঠাত ব্যৱহাৰ (Using local experts in your classroom)

আপুনি টকা-পইচা সম্বন্ধীয় বা পৰিমাণ সম্বন্ধীয় অংকৰ বাবে স্থানীয় বজাৰ ব্যৱসায়ী বা দৰ্জীক শ্ৰেণীকোঠালৈ মাতি তেওঁলোকে নিজৰ কামত অংকৰ ব্যৱহাৰ কেনেদৰে কৰে ক'বলৈ দিয়ক। বিকল্পিতভাৱে আপুনি যদি কলাত আৰ্হি আৰু আকৃতি বুজাবলৈ বিচাৰে তেন্তে মেহেন্দী অঁকা লোকক বিদ্যালয়লৈ মাতি আনি, আকৃতি, আৰ্হি, পৰম্পৰা, কৌশল আদিৰ বিষয়ে বুজাবলৈ দিব পাৰে। এনে ব্যক্তিক আমন্ত্ৰণ কৰি আনিলে অধিক ফলপ্ৰসূ হয়। যেতিয়া শৈক্ষিক লক্ষ্যৰ সৈতে সকলোৰে স্পষ্টতা থাকিব আৰু অংশগ্ৰহণৰ সময় সঠিক হ'ব তেতিয়া নিমন্ত্ৰণ কৰা ব্যক্তিৰ দ্বাৰা কৰা কাম ফলপ্ৰসূ হ'ব।

আপোনাৰ বিদ্যালয়ৰ ভিতৰতে কোনো নিৰ্দিষ্ট বিষয়ত দক্ষতা থকা ব্যক্তি থাকিব পাৰে (যেনে - ৰান্ধনী, চকীদাৰ) যাৰ কাম-কাজ দেখুৱাই ছাত্ৰ-ছাত্ৰীৰ লগত কথোপকথনৰ ব্যৱস্থা কৰিব পাৰে। উদাহৰণস্বৰূপে, ৰন্ধনত কোনটো বস্তু কিমান পৰিমাণৰ প্ৰয়োজন হয়, বতৰে কেনেকৈ বিদ্যালয়ৰ খেলপথাৰ আৰু বিদ্যালয়ৰ চৌহদত প্ৰভাৱ পেলায় আদি।

## বাহ্যিক পৰিৱেশৰ ব্যৱহাৰ কৰি (Using the outside environment)

শ্ৰেণীকোঠাৰ বহিৰত বিস্তাৰিতভাৱে বিভিন্ন শিকন সমল আছে যিবিলাক আপুনি পাঠৰ লগত সংগতি ৰাখি ব্যৱহাৰ কৰিব পাৰে। বিভিন্নধৰণৰ সামগ্ৰী, যেনে - পাত, মকৰা, উদ্ভিদ, পতংগ, শিল বা কাঠ আদি আপুনি সংগ্ৰহ কৰক বা আপোনাৰ শ্ৰেণীটোক সংগ্ৰহ কৰিবলৈ কওক। এইবোৰক শ্ৰেণীকোঠাৰ আকৰ্ষণীয় প্ৰদৰ্শন হিচাপে পাঠৰ লগত সংগতি স্থাপন কৰাব পাৰে। এনেদৰে সংগ্ৰহ কৰা সমলক জীৱিত আৰু জড় পদাৰ্থ হিচাপে শ্ৰেণীবিভাগ কৰি ছাত্ৰ-ছাত্ৰীক পৰীক্ষামূলক কিছুমান কাম কৰিবলৈ বা আলোচনা আদি কৰিবলৈ দিব পাৰে। তদুপৰি এনে কিছুমান সমল আছে যেনে- বাচ চলাচলৰ সময়, বিজ্ঞাপন আদি সহজতে পোৱা শিকন সমলসমূহ যাৰ স্থানীয় ৰাইজৰ জীৱনৰ লগত সম্পৰ্ক থাকে, তেনে সমলৰ পৰা ছাত্ৰ-ছাত্ৰীক শব্দৰ বাছনি, গুণগত মানদণ্ড, যাত্ৰাৰ সময় নিৰ্ণয় আদি কাৰ্যকৰী কৰিব পাৰে।

বাহিৰৰ সমল শ্ৰেণীকোঠালৈ আনিব পাৰে অথবা বাহিৰখনো আপোনাৰ শ্ৰেণীকোঠাৰ ভিতৰলৈ আনিব পাৰে। বাহিৰত সাধাৰণতে ছাত্ৰ-ছাত্ৰীয়ে ঘূৰা-ফুৰাৰ বাবে বেছি ঠাই পাই আৰু ছাত্ৰ-ছাত্ৰীসকলে সহজতে সকলো দেখিবলৈ পায়। যেতিয়া আপুনি ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাৰ বাহিৰলৈ নিয়ে তেনেক্ষেত্ৰত নিম্নলিখিত কাৰ্য কৰিব পাৰে --

- দূৰত্বৰ পৰিমাণৰ অনুমান আৰু জোখ-মাপ কৰা।
- বৃত্ত এটাৰ কেন্দ্ৰৰ পৰা পৰিধি যে মূল বিন্দুৰ পৰা সমদূৰত্বত অৱস্থিত তাক দেখুওৱা।
- দিনটোৰ বিভিন্ন সময়ত ছাঁৰ দৈৰ্ঘ্য নিৰূপণ।
- চাইনব'ৰ্ড আৰু নিৰ্দেশনাৱলী পঢ়া।
- সাক্ষাৎ লোৱা আৰু জৰীপ কৰা।
- সৌৰশক্তিৰ ফলক বিচাৰি উলিওৱা।
- শস্যৰ বৃদ্ধি আৰু দৃষ্টিপাত নিৰীক্ষণ।

বিদ্যালয়ৰ বাহিৰৰ শিকন ছাত্ৰ-ছাত্ৰীৰ নিজা বাস্তৱভিত্তিক অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াক আন প্ৰসঙ্গলৈও অধিক ৰূপত সলনি কৰিব পাৰে।

যদিহে আপুনি বিদ্যালয়ৰ চৌহদৰ বাহিৰলৈ ছাত্ৰ-ছাত্ৰীক লৈ যায়, তেনেহ'লে কেইটামান কথাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিব লাগে। এইকেইটা হ'ল - বিদ্যালয়ৰ নেতাৰ পৰা অনুমতি লোৱা, সময়ৰ পৰিকল্পনা কৰা, নিৰাপত্তাজনিত দিশত চোৱা-চিতা কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়ম বান্ধি লোৱা। আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰাৰ আগতেই স্পষ্টভাৱে জনা উচিত যে বাহিৰলৈ গৈ কি শিকিব।

### সমলসমূহৰ অভিযোজন (Adapting resources)

আপুনি ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ ইতিমধ্যে থকা সমলসমূহ যথাযথ ব্যৱহাৰ কৰিবলৈ বিচাৰিব পাৰে। এনেক্ষেত্ৰত কিছু পৰিৱৰ্তনৰ প্ৰয়োজন হ'ব পাৰে। সামান্য পৰিৱৰ্তনেই সমল ব্যৱহাৰত বৃহৎ পৰিৱৰ্তন সাধিব পাৰে। বিশেষকৈ যদিহে আপুনি শ্ৰেণীকোঠাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ কামত অহাকৈ শিকাবলৈ বিচাৰে। উদাহৰণস্বৰূপে, মানুহৰ নামৰ পৰিৱৰ্তন, ঠাইৰ নামৰ পৰিৱৰ্তন, গান ইত্যাদিত পুৰুষ মহিলা বা ল'ৰা ছোৱালীৰ নামৰ সাল-সলনি, কোনো কাহিনী বিশেষভাৱে সক্ষম শিশুৰ নামৰ সংযোজন আদি। এনে কাৰ্য কৰি আপুনি সমলসমূহ সামৰি সামগ্ৰিকভাৱে যথাযথ ৰূপত শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ শিকনত ব্যৱহাৰ কৰিব পাৰিব।

আপুনি সমলপুষ্ট হ'বলৈ আপোনাৰ সহকৰ্মীৰ লগত বিভিন্ন কাৰ্য হাতত লওক। এনে কৰিলে আপোনালোকৰ মাজত থকা বিভিন্নধৰণৰ দক্ষতাৰ উমান পাব আৰু একাধিক দক্ষতাসম্পন্ন ত্ৰি য়া-কলাপ সৃষ্টি কৰিবলৈ বা উপযোগী কৰি তুলিবলৈ সক্ষম হ'ব।

# Additional resources

- NCERT's Department of Education in Languages (look under 'Activities' and 'Publications', in particular): http://www.ncert.nic.in/departments/nie/del/index_dl.html
- Room to Read, India: http://www.roomtoread.org/india
- TeachingEnglish Radio India: http://www.britishcouncil.in/teach/teachingenglish-radio-india

# References/bibliography

Austin, R. (ed.) (2009) *Letting the Outside In*. London: Trentham Books.

Bridges, L. (1995) *Creating Your Classroom Community*. Portland, ME: Stenhouse Publishers.

Department for Education and Skills (2006) *Learning Outside the Classroom: Manifesto*. London: DfES Publications. Available from: http://www.lotc.org.uk/wp-content/uploads/2011/03/G1.-LOtC-Manifesto.pdf (accessed 28 October 2014).

Gregory, M. (undated) 'Creating a classroom library' (online), Reading Rockets. Available from : http://www.readingrockets.org/article/creating-classroom-library (accessed 28 October 2014).

National Curriculum Framework 2005 – A Study Guide (2006) 'Position papers by focus: NCF 2005' (online). Available from: http://ncf2005.blogspot.co.uk/2009/07/position-papers-by-focus-groups-ncf.html (accessed 28 October 2014).

Webster, L. and Reed, S. (2012) *The Creative Classroom*. London: Collins.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 1: http://www.scillytoday.com/2012/08/09/islanders-return-from-doe-trip-to-india/india-street-scene/

Figure 4: https://www.flickr.com/photos/jordibernabeu/15155376815/

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.